## ব্ৰাহ্মণ শব্দৰ ব্যুৎপত্তি আৰু অৰ্থ

'ব্ৰাহ্মণ' নামটোৱে এক শ্ৰেণীৰ সাহিত্যক বুজায়। 'ব্ৰহ্ম'ৰ সৈতে সম্বন্ধ থকা সাহিত্যকে ব্ৰাহ্মণ বোলা হৈছে। ব্ৰাহ্মণ শব্দটোৰ বিভিন্ন ব্যুৎপত্তি আৰু ভিন্ ভিন্ ব্যাখ্যা চকুত পৰে।

গতিকে ব্ৰাহ্মণ শব্দৰ পৰাই ব্ৰাহ্মণ শব্দ নিষ্পন্ন হৈছে। 'ব্ৰহ্মণ' শব্দৰ বহুত অৰ্থৰ মাজত বেদ আৰু ব্ৰাহ্মণ অৰ্থও আছে। একাংশ পণ্ডিতৰ মতে ব্ৰহ্মণ অৰ্থাৎ বেদৰ লগত সম্বন্ধ থকা হেতুকে 'ব্ৰাহ্মণ' নাম হৈছে। আন এদল পণ্ডিতৰ মতে 'ব্ৰহ্মণ' বুলিলে পুৰোহিতকো বুজা যায়। ব্ৰাহ্মণসকলৰ আদিৰে পৰা যজন-যাজন বৃত্তি আছিল। গতিকে সেই পুৰোহিতসকলে কৰা যজ্ঞ আৰু যজ্ঞ সম্বন্ধীয় কৰ্মকাণ্ডৰ বিভিন্ন বৰ্ণনা থকা শাস্ত্ৰকে ব্ৰাহ্মণ বোলা হয়। অৰ্থাৎ যাজ্ঞিক ক্ৰিয়াকাণ্ডৰ বৰ্ণনা থকা শাস্ত্ৰ যে বেদৰ দ্বিতীয় ভাগ সেইলৈ সন্দেহৰ অৱকাশ নাই। তাৰ প্ৰমাণ স্বৰূপে শতপথ ব্ৰাহ্মণৰ উক্তিলৈ আঙুলিয়াব পাৰি। 'ব্ৰহ্ম বৈ ব্ৰাহ্মণ' ঃ অৰ্থাৎ ব্ৰহ্মই ব্ৰাহ্মণ। মহাভাষ্যকাৰ পতঞ্জলিয়ে ৫/১/১ পাণিনি সূত্ৰৰ ব্যাখ্যা কৰি কৈছে যে 'সমানাৰ্থাৱেতৌ ব্ৰহ্মনশব্দো ব্ৰাহ্মণ শব্দশ্চ' অৰ্থাৎ ব্ৰহ্মন্ শব্দ আৰু ব্ৰাহ্মণ শব্দৰ অৰ্থ একে। আৰ্য সমাজৰ জন্মদাতা বৈদিক পণ্ডিত স্বামী দয়ানন্দ সৰস্বতীয়ে তেওঁৰ 'ঋগভাষ্যভুমিকা'ত কৈছে, 'ব্ৰহ্মেতি ব্ৰাহ্মণানাং নামাস্তি। অত্ৰ প্ৰমাণং ব্ৰহ্ম বৈ ব্ৰাহ্মণঃ', অৰ্থাৎ 'ব্ৰাহ্মণবিলাকৰ আন নাম ব্ৰহ্ম। শতপথ ব্ৰাহ্মণে তাক সমৰ্থন কৰে। এচাম পণ্ডিতে ব্ৰহ্মণ শব্দটোৰ অৰ্থ কৰিছে যজ্ঞৰ প্ৰধান ঋত্বিকসকলৰ অন্যতম 'ব্ৰহ্মা'ক। কিন্তু দয়ানন্দ সৰস্বতীৰ দৰে বেদজ্ঞ পণ্ডিতে ব্ৰহ্মা বা ব্ৰহ্মন্ শব্দই জাতিবাচক পদ হিচাপে সকলো ঋত্বিককে বুজাইছে বুলি ক'ব খোজে। তেওঁৰ অভিমত এয়ে যে 'চতুৰ্বেদ-বিদ্ভিৰ্ব্ৰহ্মাভিৰ্ব্ৰহ্মনৈ মহৰ্ষিভিঃ প্ৰোক্তানি য়ানি ৱেদ্ব্যাখ্যান্যনি তানি ব্ৰাহ্মণানি' অৰ্থাৎ চাৰিওবেদৰ জ্ঞানেৰে জ্ঞানবন্ত ব্ৰাহ্মণসকলৰ বেদ ব্যাখ্যাকে ব্ৰাহ্মণ গ্ৰন্থ বোলা হয়।

## বেদ অনুসৰি ব্ৰাহ্মণ সাহিত্যৰ তালিকা

নিম্নোক্ত তালিকাত বৰ্তমান উপলব্ধ ব্ৰাহ্মণবিলাকৰ বেদ অনুসৰি নামবোৰ দিয়া হ'ল।

ঋগ্বেদৰ অন্তৰ্গত ঃ ১) ঐতৰেয় ব্ৰাহ্মণ

২) কৌষীতকী বা সাংখায়ন ব্ৰাহ্মণ

কৃষ্ণ যজুৰ্বেদৰ অন্তৰ্গত ঃ ৩) তৈত্তিৰীয় ব্ৰাহ্মণ

| | |
|---|---|
| শুক্লযজুৰ্বেদৰ অন্তৰ্গত ঃ | ৪) শতপথ ব্ৰাহ্মণ |
| সামবেদৰ অন্তৰ্গত ঃ | ৫) পঞ্চবিংশ বা তাণ্ড মহাব্ৰাহ্মণ |
| | ৬) ষড়্‌বিংশ ব্ৰাহ্মণ |
| | ৭) সামবিধান ব্ৰাহ্মণ |
| | ৮) আৰ্ষেয় ব্ৰাহ্মণ |
| | ৯) দৈৱত বা দেৱতাধ্যায় ব্ৰাহ্মণ |
| | ১০) উপনিষদ্ ব্ৰাহ্মণ |
| | ১১) সংহিতোপনিষদ্ ব্ৰাহ্মণ |
| | ১২) বংশ ব্ৰাহ্মণ |
| | ১৩) জৈমিনীয় বা তলৱকাৰ ব্ৰাহ্মণ |
| অথৰ্ববেদৰ অন্তৰ্গত ঃ | ১৪) গোপথ ব্ৰাহ্মণ |

## ব্ৰাহ্মণ গ্ৰন্থৰ লক্ষণবোৰ

পূৰ্বাচাৰ্যসকলে ব্ৰাহ্মণ গ্ৰন্থৰ লক্ষণসমূহ নিৰূপণ কৰি গৈছে। পূৰ্ব মীমাংসা দৰ্শনৰ প্ৰবক্তা জৈমিনিয়ে ব্ৰাহ্মণৰ লক্ষণ দিবলৈ গৈ কৈছে 'শেষে ব্ৰাহ্মণ শব্দ ঃ' (পূৰ্ব মীমাংসা ২/১/৩৩)। অৰ্থাৎ মন্ত্ৰৰ বাহিৰে অৱশিষ্টাংশ ব্ৰাহ্মণ পদবাচ্য। আনহাতে সূত্ৰকাৰ আপস্তম্বই কৈছেঃ 'কৰ্মচোদনা ব্ৰাহ্মনানি', অৰ্থাৎ যজ্ঞাদি কৰ্ম কৰিবলৈ চোদনা বা অনুপ্ৰেৰণা থকা গ্ৰন্থকে ব্ৰাহ্মণ বোলা হয়। আপস্তম্বই নিজৰ ব্যাখ্যাৰ সমৰ্থনত ব্ৰাহ্মণবিলাকৰ বিষয়বস্তুৰ বিৱৰণ দাঙি ধৰিছে। তেওঁ বিধি, অৰ্থবাদ, নিন্দা, প্ৰশংসা, পুৰাকল্প আৰু পৰকৃতি এই ছয় ভাগত ব্ৰাহ্মণৰ বিষয়ে বস্তু নিৰ্ণয় কৰিছে।

**বিধি ঃ** এইবোৰ কৰ্মানুষ্ঠানৰ নিৰ্দেশ বাক্য। এই বাক্যবোৰ বিধিলিঙ, লোট, প্ৰভৃতি বিভক্তিত ব্যৱহাৰ কৰা হয়। যেনে— 'স্বৰ্গকামোঽশ্বমেধেন য়জেত'— অৰ্থাৎ 'স্বৰ্গকামনা কৰা লোকে অশ্বমেধ যজ্ঞ কৰিব।' এই বাক্যটো বিধি বাক্যৰ উদাহৰণ।

**অৰ্থৱাদ ঃ** বেদৰ মন্ত্ৰৰ অৰ্থ বুজাবলৈ অথবা বিধিৰ সমৰ্থনত দিয়া যুক্তিপূৰ্ণ ব্যাখ্যাই অৰ্থবাদ। এই আলোচনামূলক ব্যাখ্যাই ব্ৰাহ্মণ গ্ৰন্থৰ অধিকাংশ দখল কৰি আছে। যজ্ঞ অনুষ্ঠিত কৰাৰ সমৰ্থনত কোৱা হৈছে যে যজ্ঞৰ দ্বাৰা অনুষ্ঠাতাৰ দেৱতাসকলৰ সৈতে সাযুজ্য লাভ, সাৰূপ্য লাভ আৰু সালোক্য লাভ হয়। অৰ্থবাদৰ ব্যাখ্যাসমূহত দাৰ্শনিক, বৈয়াকৰণিক, ভাষাতাত্ত্বিক তথ্যসমূহৰো উপলব্ধি হয়।

**নিন্দা ঃ** বিৰুদ্ধ মতবাদৰ সমালোচনা, খণ্ডন কৰা আৰু তাৰ পৰিহাৰক নিন্দা বুলি কোৱা হয়। ইয়াৰ মাজেৰে বিৰোধী মতবাদৰ দোষ-ত্ৰুটিবোৰৰ আঙুলিয়াই দেখুৱা হয়। ব্ৰাহ্মণৰ বিতৰ্কময়, পৰমতখণ্ডন আৰু নিজস্ব মতৰ প্ৰতিষ্ঠাক নিন্দাই সামৰি লয়। কোনো এখন ব্ৰাহ্মণৰ মতবাদক আন এখন ব্ৰাহ্মণত খণ্ডন কৰা কাৰ্য ব্ৰাহ্মণত দেখা যায়। 'তৎ তথা ন কৰ্তব্যম্', 'তৎ তথা ন

হোতব্যম্’ আদি বাক্যই নিন্দাৰ উদাহৰণ দাঙি ধৰে।

**প্ৰশংসা ঃ** প্ৰশংসা নিন্দাৰ বিপৰীত কাৰ্য। প্ৰশংসাৰ অৰ্থ স্তুতি। কোনো কাৰ্যৰ অনুমোদনেই প্ৰশংসা। যিটো কাৰ্য নিন্দনীয়, তাক পৰিহাৰ কৰি তাৰ ঠাইতে বিকল্প কৰ্মৰ অনুমোদন প্ৰশংসাপৰক হয়। ‘য়ৎ স্তূয়তে তদ্বিধীয়তে, য়ন্নিন্দ্যতে তন্নিষিধ্যতে’। ব্ৰাহ্মণ গ্ৰন্থত প্ৰশংসাপূৰ্বক যিবোৰ যজ্ঞীয় কৰ্ম কৰিবলৈ যজমানক উদগনি দিয়া হয় তাৰ মাজেৰে প্ৰশংসাৰ স্বৰূপ ওলাই পৰে। তেনে ধৰণৰ ব্ৰাহ্মণ বচনত সচৰাচৰ ‘য এৱং ৱেদ’ বাক্যাংশ শুনা যায়।

**পুৰাকল্প ঃ** পুৰণি কালত অনুষ্ঠিত যাগ-যজ্ঞৰ বিৱৰণকে পুৰাকল্প সংজ্ঞাৰে বুজোৱা হয়। তাহানি দেৱতাসকলে সম্পাদনা কৰা শ্ৰৌত কৰ্মকাণ্ডৰ যিবোৰ বৰ্ণনা ব্ৰাহ্মণ গ্ৰন্থত উল্লেখ কৰা হৈছে সেইবোৰো পুৰাকল্পৰ অন্তৰ্গত বুলি ধৰা হয়। দেৱতাসকলে কৰি যোৱা নানা প্ৰকাৰৰ যাগ-যজ্ঞৰ বৃত্তান্তই পাছলৈ মানুহৰ বাবে অৱশ্যে কৰণীয় হয়। ঋগ্বেদত প্ৰাপ্ত পুৰুষ সূক্তৰ (১০/৯০) বহল বৰ্ণনা ব্ৰাহ্মণত যেনেদৰে পোৱা যায় সিও পুৰাকল্পৰ এক বৰ্ণনা বুলি ক’ব পাৰি।

**পৰকৃতি ঃ** পৰকৃতি ব্ৰাহ্মণৰ ষষ্ঠ লক্ষণ। পৰ বা আনৰ কাৰ্যকে পৰকৃতি (পৰস্য কৃতিঃ পৰকৃতিঃ) বোলা হয়। ‘যজ্ঞত অভিজ্ঞতা লাভ কৰোতা বিখ্যাত শ্ৰোত্ৰিয় ঋত্বিকসকলৰ কীৰ্তি-কলাপ, ৰজাৰ যাগ-যজ্ঞ, দান-দক্ষিণাৰ বৰ্ণনাকে পৰকৃতি বুলি কোৱা হয়। ঐতৰেয় ব্ৰাহ্মণত প্ৰাচীন কালৰ বহুতো পুৰোহিত আৰু ৰজাৰ এনেকুৱা কাৰ্যাৱলী বৰ্ণিত হৈছে। পুৰাকল্প আৰু পৰকৃতিৰ মাজত বিশেষ পাৰ্থক্য নাই। দুয়োটাৰ মাজত পাৰ্থক্য অলপহে আছে। বহুলোকৰ বীৰত্ব সূচক আৰু বিবিধ কাৰ্যাৱলীক পুৰাকল্প আৰু একোজন ব্যক্তিৰ কাৰ্যক পৰকৃতি বোলা হয়।

কোনো কোনো পণ্ডিতে ব্ৰাহ্মণ গ্ৰন্থৰ এই ছটা লক্ষণক কেবল বিধি আৰু অৰ্থবাদৰ মাজতে সামৰি থয়।

## ব্ৰাহ্মণ গ্ৰন্থবোৰৰ পৰিচয়

আপস্তম্বৰ পৰিভাষা 'মন্ত্ৰ ব্ৰাহ্মণয়োৰ্বেদ নামধেয়ম্ অনুসৰি মন্ত্ৰ আৰু ব্ৰাহ্মণ উভয়কে বেদ বুলি আমি পাই আহিছোঁ। গতিকে ভাৰতীয় পৰম্পৰামতে ব্ৰাহ্মণৰ বেদত্ব লৈ সন্দেহৰ অৱকাশ নাই। আমি প্ৰতিখন বেদৰে এখন বা ততোধিক ব্ৰাহ্মণ পাইছোঁ। এতিয়া আমি সেই ব্ৰাহ্মণবিলাকৰ সংক্ষিপ্ত বৰ্ণনা বা আলোচনা কৰোঁহক।

১) **ঐতৰেয় ব্ৰাহ্মণ ঃ** ঋগ্বেদৰ দুখন ব্ৰাহ্মণ— ঐতৰেয় আৰু কৌষীতকী বা সাংখায়ন। ইয়াৰে প্ৰথমখন প্ৰাচীনতম। ঐতৰেয় ব্ৰাহ্মণৰ মহত্ত্বও অধিক। মহিদাস ঐতৰেয় এই ব্ৰাহ্মণৰ ৰচয়িতা। এই ব্ৰাহ্মণ চল্লিশটা অধ্যায়ত বিভক্ত। পাঁচটা অধ্যায়ৰ সমষ্টিক এক পঞ্চিকা বোলে। সেয়ে এই ব্ৰাহ্মণত আছে আঠটা পঞ্চিকা, চল্লিশটা অধ্যায় আৰু দুশ পঁচাশীটা কণ্ডিকা। ঋগ্বেদৰ সৈতে জড়িত হোৱা কাৰণে এই ব্ৰাহ্মণত যজ্ঞৰ হোতা নামৰ পুৰোহিতৰ কাৰ্যকলাপৰ বিৱৰণ আছে।

ঐতৰেয় ব্ৰাহ্মণত অগ্নিষ্টোম, উক্থ্য, অতিৰাত্ৰ আৰু ষোড়শী নামে যজ্ঞবোৰত হোতাৰ কৰ্তব্য বৰ্ণনা কৰিছে। তদুপৰি দ্বাদশাহ আৰু ৰাজসূয় যজ্ঞৰ বিশেষ বৰ্ণনা আছে। ইয়াত শুনঃশেপৰ বহু বিখ্যাত উপাখ্যানৰ ব্যাপক বৰ্ণনা আছে।

**ধৰ্মীয় ঃ** ৰাজনৈতিক আৰু সামাজিক অৱস্থাৰ বিৱৰণো ইয়াত পোৱা যায়। ইয়াত বিষ্ণুৰ মাহাত্ম্যৰ উত্থান ঘটিছে। ইয়াত বৈদিক ভাৰতৰ ভূগোল আৰু বুৰঞ্জীবিষয়ক তথ্য পোৱা যায়।

২) **সাংখায়ন বা কৌষীতকী ব্ৰাহ্মণ ঃ** এই ব্ৰাহ্মণ ঐতৰেয়ৰ তুলনাত অৰ্বাচীন আৰু বিষয় চয়নত অধিক প্ৰণালীবদ্ধ। ব্ৰাহ্মণখন ত্ৰিশটা অধ্যায়ও বিভক্ত। প্ৰতিটো অধ্যায়ত পাঁচৰ পৰা সোতৰটালৈকে 'খণ্ড' আছে। মুঠতে ইয়াত দুশ ছাব্বিশটা খণ্ড আছে। ইয়াত যথাক্ৰমে অগ্ন্যাধান, অগ্নিহোত্ৰ, দৰ্শপৌৰ্ণমাস, কেতবোৰ কাম্যেষ্টি আৰু চাতুৰ্মাস্যৰ বিৱৰণ আছে প্ৰথম ছয় অধ্যায়ত। পৰৱৰ্তী চাব্বিশটা অধ্যায়ত ক্ৰমে অগ্নিষ্টোম, আৰু তাৰ বিকৃতি মাগ ষোড়শী, অতিৰাত্ৰ আদি যজ্ঞৰ বৰ্ণনা আছে। ইয়াত উদীচ্য ভাগত থকা শিক্ষা ব্যৱস্থাৰ প্ৰশংসা কৰা হৈছে। এই ব্ৰাহ্মণে শৈৱ সম্প্ৰদায়ৰ প্ৰতি আনুগত্য দেখুৱাইছে।

ওপৰোক্ত দুয়োখন ব্ৰাহ্মণ ঋগ্বেদৰ অন্তৰ্গত।

তলত সামবেদী ব্ৰাহ্মণবোৰৰ চমু আলোচনা কৰা হ'ল।

১) **তাণ্ড্যমহাব্ৰাহ্মণ বা পঞ্চবিংশ বা প্ৰৌঢ়ব্ৰাহ্মণ ঃ** এই ব্ৰাহ্মণ তাণ্ডি শাখাৰ অন্তৰ্গত আৰু পঁচিশটা অধ্যায়ত বিভক্ত।

তাণ্ড্য মহাব্ৰাহ্মণত ত্ৰিবৃৎ, পঞ্চদশ, সপ্তদশ প্ৰভৃতি ষ্টোমৰ বিষ্টুতি, গৱাময়ন সত্ৰ, সোমযাগৰ জ্যোতিষ্টোম, তাৰ বিকৃতি উক্থ্য আৰু অতিৰাত্ৰৰ বৰ্ণনা পোৱা যায়। তদুপৰি আছে দ্বাদশাহৰ বৰ্ণনা। লগতে একাহ আৰু অহীন সোমযাগ, চাতুৰ্মাস্য, ৰাজসূয়, বাজপেয়ৰ বৰ্ণনাও পোৱা যায়। সপ্তদশ অধ্যায়ত প্ৰাপ্ত ব্ৰাত্যষ্টোমৰ বৰ্ণনা উল্লেখনীয়। ইয়াত বৈদিক যুগৰ ভাৰতৰ ভৌগোলিক আৰু ঐতিহাসিক মাহাত্ম্যসূচক ভালেমান তথ্য পোৱা যায়।

২) **ষড়বিংশ ব্ৰাহ্মণ ঃ** ই পঞ্চবিংশ ব্ৰাহ্মৰ পৰিপূৰক। ছটা অধ্যায়ত বিভক্ত এই ব্ৰাহ্মণৰ অন্তিম অধ্যায়টো অদ্ভুত ব্ৰাহ্মণ বুলি জনাজাত। ইয়াৰ ছয়টা অধ্যায়ত আঠচল্লিশটা খণ্ড

আছে। পঞ্চবিংশ ব্ৰাহ্মণত অনুক্ত সুব্ৰহ্মণ্য শস্ত্ৰ, সৱনত্ৰয়, বিশ্বৰূপ গান, ব্ৰহ্মাৰ কৰ্তব্য, ব্যাহৃতি হোমকে সামৰি ইয়াত নৈমিত্তিক প্ৰায়শ্চিত্ত, সৌম্যচৰুবিধি, হোত্ৰাদি উপহৱ, নৈমিত্তিক হোম, ঋত্বিক প্ৰশংকা, অৱভৃথ, দ্বাদশাহ স্তুতি আদি বহু বিষয়ৰ তথ্য পোৱা যায়।

৩) **সামবিধান ব্ৰাহ্মণ ঃ** এইখন ব্ৰাহ্মণ তিনিটা প্ৰকৰণত বিভক্ত। ইয়াত তান্ত্ৰিক বিধি-বিধানৰ প্ৰয়োগ, প্ৰায়শ্চিত্তৰ বিধান, অভিচাৰ-ক্ৰিয়া, পুত্ৰ কামনা কৰি কৰা ক্ৰিয়া, গৃহ-প্ৰবেশ, আয়ুষ্য প্ৰাপ্তিৰ বাবে কেতবোৰ আথৰ্বনিক ক্ৰিয়াৰ বৰ্ণনা পোৱা যায়। ইয়াত ধৰ্মসূত্ৰৰ লেখীয়া ক্ৰিয়া-কাণ্ডৰ প্ৰশংসা পোৱা যায়।

৪) **আৰ্ষেয় ব্ৰাহ্মণ ঃ** আৰ্ষেয় ব্ৰাহ্মণ তিনিটা প্ৰপাঠক আৰু বিৰাশীটা খণ্ডত বিভক্ত। সামবেদৰ অনুক্ৰমনীৰ লেখীয়া। সামবেদৰ পূৰ্বাচিকৰ গ্ৰামগেয় আৰু আৰণ্যগেয় গানৰ সামসমূহৰ নাম ইয়াত ঋষিৰ সৈতে সূত্ৰাকাৰে উপস্থাপন কৰা হৈছে। এই গ্ৰন্থত সামবেদীয় মন্ত্ৰৰ ঋষিসকলৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে।

৫) **দেৱতাধ্যায় ব্ৰাহ্মণ ঃ** ই এখন ক্ষুদ্ৰ ব্ৰাহ্মণ। ইয়াত মাত্ৰ তিনিটা খণ্ড আছে। প্ৰথম খণ্ডৰ ছাব্বিশটা কণ্ডিকাত অগ্নি আদি দেৱতাৰ উদ্দেশ্যত গাবলগীয়া সামৰ নিৰ্দেশ কৰিছে। দ্বিতীয় খণ্ডৰ এঘাৰটা কণ্ডিকাত ছন্দদেৱতা আৰু বৰ্ণৰ বিৱৰণ আছে। তৃতীয় খণ্ডৰ পঁচিশটা কণ্ডিকাত ছন্দৰ নিৰুক্তি পোৱা যায়।

৬) **উপনিষদ ব্ৰাহ্মণ ঃ** এই ব্ৰাহ্মণৰ দহটা প্ৰপাঠকত দুখন গ্ৰন্থ সোমাই আছে। প্ৰথম দুই প্ৰপাঠকক লৈ মন্ত্ৰ বা ছান্দোগ্য ব্ৰাহ্মণ, আৰু বাকী আঠটা প্ৰপাঠকক লৈ ছান্দোগ্য উপনিষদ গঠিত হৈছে। মন্ত্ৰব্ৰাহ্মণৰ প্ৰথম প্ৰপাঠকত বিৱাহাদি সংস্কাৰৰ বৰ্ণনা, দ্বিতীয় প্ৰপাঠকত ভূতবলি, আগ্ৰহায়নীয় কৰ্ম, পিতৃপিণ্ডদান, দেৱবলি হোম, দৰ্শপৌৰ্ণমাস, আদিত্যোপস্থান, নৱ গৃহ প্ৰৱেশ, স্বস্ত্যয়ন আৰু প্ৰসাদ প্ৰাপ্তিৰ মন্ত্ৰ আছে।

৭) **সংহিতোপনিষদ ব্ৰাহ্মণ ঃ** এই গ্ৰন্থ পাঁচটা খণ্ডত বিভক্ত। প্ৰথম খণ্ডত তিনিবিধ গান সংহিতাৰ বিৱৰণ আছে। এই তিনি সংহিতা হৈছে — ১) দেৱহূসংহিতা, ২) ৰাক্শবহূসংহিতা, ৩) অমিত্ৰহূসংহিতা দেবহূসংহিতা মঙ্গলজনক, ৰাক্শবহূ আৰু অমিত্ৰহূ অমঙ্গলীয়া। দ্বিতীয় আৰু তৃতীয় খণ্ডত গানসংহিতাৰ বিধি, স্তোম, অনুলোম আৰু প্ৰতিলোম স্বৰ প্ৰভৃতিৰ বিস্তৃত চৰ্চা কৰা হৈছে। তৃতীয় খণ্ডত গুৰু শিষ্যৰ যোগ্যত্য বিচাৰ কৰা হৈছে।

৮) **বংশ ব্ৰাহ্মণ ঃ** এই ব্ৰাহ্মণ গ্ৰন্থ আকাৰত সৰু। ইয়াত সামবেদীয় ঋষিসকলৰ বংশ-পৰম্পৰা সংক্ষিপ্তকৈ তুলি ধৰা হৈছে।

৯। **জৈমিনীয় বা তলৱকাৰ ব্ৰাহ্মণ ঃ** এই ব্ৰাহ্মণ গ্ৰন্থ অতি প্ৰাচীন। অধুনা বিলুপ্ত শাতায়েন ব্ৰাহ্মণৰ যিবোৰ উদ্ধৃতি ঋগ্বেদৰ সায়ন ভাষ্যত পোৱা যায় তাৰে সৈতে জৈমিনীয় ব্ৰাহ্মণৰ মিল আছে। পঞ্চবিংশ ব্ৰাহ্মণৰ লগতো ইয়াৰ বিষয় বস্তুৰ মিল দেখা যায়। এই গ্ৰন্থ এতিয়ালৈকে সম্পূৰ্ণৰূপে উপলব্ধ হোৱা নাই। ইয়াৰে অংশবিশেষহে সম্পাদিত ৰূপত প্ৰকাশিত হৈছে।

ইয়াৰ উপৰিও আমি আৰু দুখন যদুৰ্বেদীয় মতত্ত্বপূৰ্ণ ব্ৰাহ্মণ গ্ৰন্থ পাওঁ। প্ৰথমখন কৃষ্ণ যজুৰ্বেদৰ অন্তৰ্গত তৈত্তিৰীয় ব্ৰাহ্মণ আৰু দ্বিতীয়খন শুক্ল যজুৰ্বেদৰ শতপথ ব্ৰাহ্মণ।

১) **তৈত্তিৰীয় ব্ৰাহ্মণ ঃ** ই এখন প্ৰাচীনতৰ ব্ৰাহ্ম। এই ব্ৰাহ্মণ তৈত্তিৰীয় সংহিতাৰ বিস্তৃতি এই ব্ৰাহ্মণ তিনিটা কাণ্ডত বিভক্ত। প্ৰতিটো কাণ্ড প্ৰপাঠকত বিভক্ত। প্ৰথম আৰু দ্বিতীয় কাণ্ডত আঠটাকৈ আৰু তৃতীয় কাণ্ডত বাৰটা প্ৰপাঠক আছে।

প্ৰথম কাণ্ডত অগ্ন্যাধান, গৱাময়ন, বাজপেয়, ৰাজসূয়, সোম আৰু নক্ষত্ৰেষ্টিৰ বৰ্ণনা পোৱা যায়। দ্বিতীয় কাণ্ডত অগ্নিহোত্ৰ, দাশহোত্ৰ, উপহোম, সৌত্ৰামনী, বৃহস্পতিসৱ আৰু পশুযাগৰ বৰ্ণনা আছে। তৃতীয় কাণ্ডত আকৌ নক্ষত্ৰেষ্টিৰ বিশদ বিৱৰণ, দৰ্শপূৰ্ণমাসৰ ব্যাখ্যা, পুৰুষমেধৰ বৰ্ণনা, পশুমাগ, প্ৰায়শ্চিত্ত, অশ্বমেধৰ বিৱৰণ আৰু চাতুৰ্হোত্ৰ মাগৰ বিৱৰণ আছে।

২) **শতপথ ব্ৰাহ্মণ ঃ** কান্ব আৰু মাধ্যন্দিন ভেদে ইয়াৰ দুটা শাখা। এই গ্ৰন্থ অন্যতম মহত্ত্বপূৰ্ণ ব্ৰাহ্মণ গ্ৰন্থ। ইয়াৰ বৰ্ণনা পৃথক অধ্যায় এটাত কৰা হ'ব।

অথৰ্ববেদীয় ব্ৰাহ্মণ এখন মাত্ৰ।

১) **গোপথ ব্ৰাহ্মণ ঃ** এইখন ব্ৰাহ্মণৰ ভাগ দুটা ঃ পূৰ্বভাগ আৰু উত্তৰ ভাগ। পূৰ্বভাগত পাঁচটা প্ৰপাঠক আৰু উত্তৰ ভাগত ছয়টা প্ৰপাঠক আছে। প্ৰতিটো প্ৰপাঠক কণ্ডিকাত বিভক্ত। ইয়াৰ দুয়োভাগত মুঠতে এঘাৰটা প্ৰপাঠক আৰু দুশ আঠাৱন্নটা কণ্ডিকা আছে।

ইয়াত ওঙ্কাৰ আৰু গায়ত্ৰীৰ বৰ্ণনা, ব্ৰহ্মচাৰীৰ কৰ্তব্য, ঋত্বিক চাৰিজনৰ কাৰ্যৰ পৰ্যালোচনা, দীক্ষাৰ বৰ্ণনা, সাম্বৎসৰিক যজ্ঞৰ বৰ্ণনা; অশ্বমেধ, পুৰুষমেধ আৰু অগ্নিষ্টোমৰ বৰ্ণনা পোৱা যায়।

---